# ‘আন্তঃৰাষ্ট্ৰীয় গাণিতিক সংঘ’ই প্ৰকাশ কৰা, ২০২২ ৰ ফিল্ডছ মেডেল বিজয়ীসকলৰ বিশেষ সাক্ষাৎকাৰৰ অনুবাদ



“গণিতজ্ঞসকলৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলন (ICM) ২০২২” যোৱা
৬ জুলাইৰ পৰা ১৪ জুলাইলৈ আভাসিক মাধ্যমত অনুষ্ঠিত হয়।
৫ জুলাইৰ দিনা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় গাণিতিক সংঘই এইবাৰৰ ফিল্ডছ মেডেল প্ৰদান কৰে। এইবাৰৰ বিজয়ী গণিতজ্ঞসকল হ’ল– মেৰিনা ভিয়াজভস্কা, জেমছ মেয়নাৰ্ড, জুন হা আৰু হুগ’ ডিমিনিল-কুপা। সংঘৰ আনুষ্ঠানিক ৱেবছাইটত বঁটাপ্ৰাপক গণিতজ্ঞকেইগৰাকীৰ সাক্ষাৎকাৰ প্ৰকাশ পাইছে। চাৰিওটা সাক্ষাৎকাৰ গ্ৰহণ কৰিছে ৰাছিয়ান গণিতজ্ঞ আন্দ্ৰে অকুনকভ আৰু আন্দ্ৰে কন্যাভে। উল্লেখযোগ্য যে আন্দ্ৰে অকুনকভো ফিল্ডছ মেডেলিষ্ট। এই সাক্ষাৎকাৰকেইটা ‘গণিত বিকাশ’ত প্ৰকাশৰ অনুমতি বিচাৰি সংঘৰ সৈতে যোগাযোগ কৰা হৈছিল। সংঘৰ সচিবালয়ৰ ফালৰ পৰা অতি কম সময়ৰ ভিতৰতে সাক্ষাৎকাৰকেইটা অনুবাদৰ অনুমতি লাভ কৰোঁ। আন্তঃৰাষ্ট্ৰীয় গাণিতিক সংঘ, আৰু সচিবালয়ৰ পৰিচালক স্কট জাঙলৈ (Scott Jung) আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

– প্ৰিয়াংকুশ ডেকা